দৈনিক জনভূমি

# আৰ জি বৰুৱা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ সম্পন্ন

**গুৱাহাটী, ২২ এপ্ৰিল ঃ** গুৱাহাটীৰ ফটাশিল আমবাৰীস্থিত আৰ জি বৰুৱা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ উদ্যোগত এখন দুদিনীয়া ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ আজি সম্পন্ন হয়। চি এছ এছ আৰ-এন ই আৰ চিৰ পৃষ্ঠপোষকতাত আয়োজিত এই আলোচনা-চক্ৰৰ মূল বিষয় আছিল— 'উত্তৰ-পূব ভাৰতৰ শিক্ষা আৰু আৰ্থ-সামাজিক পৰিৱৰ্তন ঃ নব্য গৱেষণা আৰু নীতিগত দৃষ্টিভংগী।' গুৱাহাটী কলেজ অব্ এডুকেশ্যন আৰু মহাবিদ্যালয়খনৰ অভ্যন্তৰীণ মান নিৰূপক কোষৰ সহযোগত ২১ আৰু ২২ এপ্ৰিলত এই অনুষ্ঠানটো অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলন আৰু মহাবিদ্যালয়ৰ ছাত্ৰী কংকনা ডেকাৰ এটি সুমধুৰ বৰগীতেৰে আলোচনা-চক্ৰখনৰ শুভাৰম্ভ কৰা হয়। আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ তথা আলোচনা-চক্ৰখনৰ মূল উদ্যোক্তা ড° প্ৰাণজিৎ কুমাৰ নাথে এনে বৌদ্ধিক চৰ্চাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। একেদৰে আলোচনা-চক্ৰখনৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষা বিভাগৰ মুৰব্বী ড° দীপাংকৰ তালুকদাৰে। উদ্বোধনী অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ ডীন অধ্যাপিকা এলিজাবেথ হাংছিঙে মূল বক্তা হিচাপে অংশগ্ৰহণ কৰি ভাষণ আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে চি এছ এছ আৰ-এন ই আৰ চিৰ সঞ্চালক অধ্যাপক ভাগীৰথী পাণ্ডা। ইয়াৰ উপৰি আৰ জি বৰুৱা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° যোগেশ শৰ্মা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দুলুমণি গোস্বামীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানটোৰ আঁত ধৰে প্ৰিয়ংকা ৰায়াই আৰু শলাগৰ শৰাই আগবঢ়াই সহ-আহ্বায়ক ড° কৰবী কাকতীয়ে। উল্লেখযোগ্য যে এই দুদিনীয়া কাৰ্যসূচীত মুঠ সাতখন আলোচনা-সত্ৰত দেশৰ বিভিন্ন প্ৰান্তৰ গৱেষক আৰু অধ্যাপকসকলে অনলাইন আৰু অফলাইন উভয় মাধ্যমতে ৮১খন গৱেষণা-পত্ৰ পাঠ কৰে। সমল ব্যক্তি হিচাপে উপস্থিত থকা বিশিষ্ট শিক্ষাবিদসকলৰ ভিতৰত অধ্যাপিকা পলী শইকীয়া, অধ্যাপিকা আংগা পাড়ু, অধ্যাপিকা কাবেৰী সাহা, ড° বয়িলাপল্লী ভেংকট ৰাও, অধ্যাপিকা মল্লিকা কলিতা, অধ্যাপক প্ৰণৱ শইকীয়া, ড° ইন্দ্ৰাণী কলিতা আছে।

DAINIK JANAMBHUMI
DATE - 23-04-2026 Pg.-02